# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১৯৫১ চনৰ আগত অসমলৈ অহা লোকক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে চৰকাৰে ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে নিয়মৰ আধাৰত দিন-বাৰ নিৰ্ধাৰণ কৰিছে।

**বাইট (চি এম)**

০০০০০০

অসমত ২০১৯ চনৰ পৰা বৰ্তমানলৈকে ৪৩০ জন চৰকাৰী বিষয়া কৰ্মচাৰীক দুৰ্নীতি নিবাৰণ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে ভিতৰত অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰক শাখাই ৩০২ জনক মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ শাখাই ৮৮ জন আৰু আৰক্ষীয়ে ৪০ জন বিষয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে।

অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে।

০০০০০০

অসম বিধানসভাত কালি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হোৱাৰ বিষয়টোত যোৰহাট জিলাৰ কেইবাখনো চাহ বাগিছাৰ ৰাইজে আদৰণি জনাইছে। জিলাখনৰ মৰিয়নি চেলেং চাহ বাগিছাৰ চাহ শ্ৰমিক সকলক চৰকাৰৰ সিদ্ধান্তই আনন্দিত কৰিছে। বাগিছাখনৰ শ্ৰমিকসকলে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত তিনি লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। এই নতুন ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব। ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ নিৰাপত্তাহীনতাৰ মনোভাব নাইকীয়া হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱা আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত  ড্ৰাগছ, গাঞ্জাকে ধৰি বিভিন্ন নিচাজাতীয় সামগ্ৰীৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে অভিযান তীব্ৰ কৰি তুলিছে। কালি চাবুৱা আৰক্ষী থানাৰ অন্তৰ্গত শিয়ালকাটি

চাহ বাগিছাৰ ১০ নম্বৰ লাইনৰ পৰা বৰুণ নায়ক নামৰ এজন যুৱকক গাঞ্জাসহ কৰায়ত্ত কৰে। চাবুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিতুপন শইকীয়া আৰু সহ উপ পৰিদৰ্শক লক্ষ্যদীপ ফুকনৰ নেতৃত্বত চলোৱা এই অভিযানত যুৱকজনৰ পৰা বহু পৰিমানে গাঞ্জা জব্দ কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, এই যুৱকজনে অঞ্চলটোত বহুদিনৰ পৰা গাঞ্জাকে ধৰি বিভিন্ন নিচাজাতীয় সামগ্ৰী বিক্ৰী কৰি আহিছিল।

০০০০০০

নগাঁও জিলা প্ৰশাসন আৰু বন বিভাগে আজি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলিকৃত মাটিত উচ্ছেদ অভিযান চলায়। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আছিল। আজি এই অঞ্চলটোত উচ্চেদ চলোৱা হয়। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হৈছিল। আনহাতে, কালি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘূৰি যাবলৈ আহ্বান জনাইছিল। দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমি ত্যাগ কৰিছিল। আজি পুৱাৰে পৰা সহস্ৰাধিক আৰক্ষীয়ে লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ চামগাওঁ, ভেদুৰিপাৰ আৰু আমগুৰিত কঠোৰ নিৰাপত্তাৰ মাজেৰে উচ্ছেদ অভিযান চলায়। উল্লেখযোগ্য যে এই উচ্ছেদ অভিযান কাইলৈও চলিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৰ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

সমাপ্ত